# নৰজ্যোতি মহাবিদ্যালয়ত ঘৰুৱা হিংসা, পকচো আইন আৰু বাল্যবিবাহ বিষয়ক সজাগতা সভা

**গণ বাৰ্তা, কলগাছিয়া, ১৩ আগষ্ট ঃ** কলগাছিয়াস্থিত নৱজ্যোতি মহাবিদ্যালয়ত এন্টি ছেক্সুৱেল হেৰেজমেণ্ট কমিটীৰ উদ্যোগত দহ আগষ্টত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক সজাগতা সভা অনুষ্ঠিত হয়। মহাবিদ্যালয় সংগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত আদৰণী ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদে। মহাবিদ্যালয়ৰ ছাত্ৰী চুলতানা নাছৰিন আৰু ছাত্ৰ ইনজামামুন হকে আঁত ধৰা অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে প্ৰাক্তন শিক্ষাৰ্থী অধিবক্তাসকল। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা মোবাৰক হুছেইনে বাল্যবিবাহ, তাৰ কু-ফল আৰু বাল্যবিবাহ বিষয়ক আইন সম্পৰ্কে পৰামৰ্শ আগবঢ়ায়। আন এগৰাকী সমল ব্যক্তি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা আব্দুল আৱাল দেৱানে মহিলাৰ সুৰক্ষা ঘৰুৱা হিংসা আৰু মহিলাৰ সাংবিধানিক অধিকাৰ সম্পৰ্কে ভাষণ আগবঢ়ায়। অধিবক্তা ড° খাইৰুদ্দিন আহমেদে যৌন নিৰ্যাতন, পকচো আইন সম্পৰ্কে অৱগত কৰে। তদুপৰি অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীসকল উপস্থিত থাকি সামাজিক ব্যাধি আঁতৰ কৰিবলৈ বিভিন্ন পৰামৰ্শ আগবঢ়ায়। ই এক সামাজিক সমস্যা বুলি উল্লেখ কৰি কিশোৰ-কিশোৰীৰ নৈতিক-আধ্যাত্মিক শিক্ষাৰে শিক্ষিত কৰি সামাজিকভাৱে দায়িত্বশীল কৰি সুস্থ বাতাৱৰণ সৃষ্টি কৰিব পাৰিলে এনে সমস্যা দূৰ হ'ব বুলি উল্লেখ কৰে। তেনেদৰে কিশোৰ-কিশোৰীক সামাজিক ৰীতি-নীতি, পৰম্পৰা আৰু আইনী ব্যৱস্থা সম্পৰ্কে অৱগত কৰি সচেতন কৰি তুলি সবল কৰি তুলিলে এই সমস্যা সমাধান হ'ব বুলি উল্লেখ কৰে। এইবিষয়টোক সহঃ পাঠ্যক্ৰমিক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰিলে ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা বৃদ্ধি পাব বুলি প্ৰাক্তন শিক্ষাৰ্থী অধিবক্তাসকলে পৰামৰ্শ আগবঢ়ায়। তেনেদৰে আইন ব্যৱস্থাৰ মাজেদি সীমাবদ্ধ নাথাকি উক্ত বিষয়টো পৰিয়াল, সমাজলৈ লৈ গৈ আৰু এইক্ষেত্ৰত মাতৃ, অভিভাৱক আৰু পৰিয়ালৰ ভূমিকা সম্পৰ্কেও সচেতন কৰে অধিবক্তাসকলে। এইক্ষেত্ৰত শিক্ষাই একমাত্ৰ উপযুক্ত মাধ্যম বুলি উল্লেখ কৰি অধিবক্তাসকলে শিক্ষাৰ জৰিয়তে এই সামাজিক ব্যাধি আঁতৰ কৰিব পৰা যাব বুলি উল্লেখ কৰে। তেওঁলোকে মহাবিদ্যালয়ত ছাত্ৰ একতা সভাক লৈ 'লিগেল চেল' গঠন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সভা অনুষ্ঠিত কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত অধিবক্তা শুকুৰ আলী, জাহিদুল ইছলাম, আব্দুল মতিন, হজৰত আলী ভূএগা, ছাইফুল ইছলামকে ধৰি যথেষ্টসংখ্যক প্ৰাক্তন শিক্ষাৰ্থী, অধিবক্তা উপস্থিত থাকি শিক্ষা আৰু আইন সম্পৰ্কে পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত ডিজিটেল মাধ্যমযোগে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা মইজুদ্দিন আহমেদে অংশগ্ৰহণ কৰে। অনুষ্ঠানত বিভিন্ন কাকতৰ সাংবাদিকসকল, নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল, কৰ্মচাৰীসকল আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় ৰসায়ন বিভাগৰ সহকাৰী অধ্যাপিকা ড° আত্ৰেয়ী বনস্পতিয়ে।